**NSD NEWS BULLETIN**
**ALL INDIA RADIO, GUWAHATI**
**0000000000**

**Date :** 27-03-2024
**Time :** 07-05 hrs

ASSAMESE MORNING BULLETIN
**HEADLINES**

**::::::::::::::::::**

১। প্ৰথম পৰ্যায়ৰ লোকসভা নিৰ্বাচনৰ বাবে আজি মনোনয়ন পত্ৰ দাখিলৰ অন্তিম দিন।

২। বিদেশ মন্ত্ৰী ড০ এছ জয়শংকৰে কালি মনিলাত ফিলিপাইনছৰ ৰাষ্ট্ৰপতি বংবং মাৰ্কোছক সাক্ষাৎ কৰে।

৩। কেন্দ্ৰীয় মন্ত্ৰী পীয়ুষ গোৱেলে ভাৰতবৰ্ষক বিকশিত ৰাষ্ট্ৰ হিচাপে গঢ়ি তোলাৰ ক্ষেত্ৰত ব্যৱসায়িক সম্প্ৰদায়ৰ গুৰুত্বপূৰ্ণ ভূমিকা আছে বুলি মন্তব্য কৰিছে।

৪। কংগ্ৰেছে আসন্ন লোকসভা নিৰ্বাচনৰ বাবে সপ্তমখন প্ৰাৰ্থী তালিকা প্ৰকাশ কৰিছে।

**আৰু**

৫। চেন্নাই ছুপাৰ কিংছে যোৱা নিশা আই পি এল ক্ৰিকেট প্ৰতিযোগিতাৰ এখন খেলত গুজৰাট টাইটানছক ৬৩ ৰানত পৰাস্ত কৰে।

ooooo

প্ৰথম পৰ্যায়ৰ লোকসভা নিৰ্বাচনৰ বাবে আজি মনোনয়ন পত্ৰ দাখিলৰ অন্তিম দিন। অৱশ্যে এই পৰ্যায়ত সামৰি লোৱা বিহাৰৰ সংসদীয় সমষ্টিকেইটাৰ বাবে বৃহস্পতিবাৰ মনোনয়ন পত্ৰ দাখিলৰ অন্তিম দিন ধাৰ্য কৰা হৈছে। প্ৰথম পৰ্যায়ত ১৭ ৰাজ্য আৰু ৪খন কেন্দ্ৰীয়শাসিত অঞ্চলৰ ১০২টা লোকসভা সমষ্টিৰ বাবে ১৯ এপ্ৰিলত ভোটগ্ৰহণ অনুষ্ঠিত হ'ব। ইয়াৰে ভিতৰত তামিলনাডু ৩৯, ৰাজস্থানৰ ১২, উত্তৰপ্ৰদেশৰ ৮, মধ্যপ্ৰদেশৰ ৬, অসম, উত্তৰাখণ্ড আৰু মহাৰাষ্ট্ৰৰ ৫টাকৈ, বিহাৰৰ ৪টা, পশ্চিমবংগৰ ৩টা, অৰুণাচল প্ৰদেশ, মণিপুৰ, মেঘালয় ২টাকৈ আৰু চত্তিশগড়, মিজোৰাম, নাগালেণ্ড, ছিকিম, ত্ৰিপুৰা, আন্দামান নিকোবৰ দ্বীপপুঞ্জ, জম্মু-কাশ্মীৰ, লাক্ষাদ্বীপ আৰু পুডুচেৰীৰ এটাকৈ সমষ্টি আছে। এই পৰ্যায়ৰ বাবে দাখিল কৰা মনোনয়ন পত্ৰসমূহ কাইলৈ পৰীক্ষা কৰা হ'ব আৰু ইচ্ছুক প্ৰাৰ্থীসকলে ৩০ মাৰ্চ পৰ্যন্ত মনোনয়ন পত্ৰ প্ৰত্যাহাৰ কৰিব পাৰিব। বিহাৰত শনিবাৰে মনোনয়ন পত্ৰসমূহ পৰীক্ষা কৰা হ'ব আৰু ২ এপ্ৰিল মনোনয়ন পত্ৰ প্ৰত্যাহাৰৰ অন্তিম দিন হ'ব।

বিভিন্ন ৰাজ্য আৰু কেন্দ্ৰীয়শাসিত অঞ্চলৰ ৮৯টা সংসদীয় সমষ্টিক সামৰি হ'বলগীয়া দ্বিতীয় পৰ্যায়ৰ নিৰ্বাচনৰ বাবে বৃহস্পতিবাৰে অধিসূচনা জাৰি কৰা হ'ব।

ooooo

প্ৰথম পৰ্যায়ৰ লোকসভা নিৰ্বাচনৰ মনোনয়ন পত্ৰ দাখিলৰ আজি অন্তিম দিন হোৱাৰ পৰিপ্ৰেক্ষিতত কালি ১১ গৰাকী প্ৰাৰ্থীয়ে মনোনয়ন দাখিল কৰে। ইয়াৰ ভিতৰত ডিব্ৰুগড় লোকসভা সমষ্টিৰ প্ৰাৰ্থী কেন্দ্ৰীয় মন্ত্ৰী তথা বিজেপি নেতা সৰ্বানন্দ সোণোৱাল, যোৰহাট লোকসভা সমষ্টিৰ প্ৰাৰ্থী কংগ্ৰেছ সাংসদ গৌৰৱ গগৈ,

লখিমপুৰ লোকসভা সমষ্টিৰ এন ডি এৰ প্ৰাৰ্থী প্ৰদান বৰুৱা আৰু ডিব্ৰুগড় লোকসভা সমষ্টিৰ প্ৰাৰ্থী অসম জাতীয় পৰিষদৰ মুৰব্বী তথা সদৌ অসম ছাত্ৰ সন্থাৰ প্ৰাক্তন নেতা লুৰীণজ্যোতি গগৈ অন্যতম। কাইলৈ এই মনোনয়ন পত্ৰসমূহ পৰীক্ষা কৰা হ'ব। মনোনয়ন পত্ৰ প্ৰত্যাহাৰৰ অন্তিম দিন ৩০ মাৰ্চ ধাৰ্য কৰা হৈছে।

০০০০০

বিদেশ মন্ত্ৰী ড০ এছ জয়শংকৰে কালি মেনিলাত ফিলিপাইনছৰ ৰাষ্ট্ৰপতি বংবং মাৰ্কোছক সাক্ষাৎ কৰে। ড ০জয়শংকৰে ফিলিপাইনছৰ ৰাষ্ট্ৰপতিগৰাকীক ৰাষ্ট্ৰপতি শ্ৰীমতীদ্ৰৌপদী মুৰ্মু আৰু প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডীৰ শুভেচ্ছা জ্ঞাপন কৰে। সামাজিক মাধ্যমৰ জৰিয়তে বিদেশ মন্ত্ৰীগৰাকীয়ে কৈছে যে ভাৰত আৰু ফিলিপাইনছৰ সম্পৰ্ক ত্বৰান্বিত কৰাৰ ক্ষেত্ৰত শ্ৰীমাৰ্কোছৰ দিহা-পৰামৰ্শই দুয়োখন গণতন্ত্ৰৰ মাজৰ সহযোগিতা অধিক শক্তিশালী কৰি তুলিব।

ড০ এছ জয়শংকৰে প্ৰতিৰক্ষা মন্ত্ৰী গিলবাৰ্ট টেওদোৰোৰ সৈতেও বৈঠকত মিলিত হয়। বৈঠকত মন্ত্ৰী দুয়োগৰাকীয়ে প্ৰতিৰক্ষা ক্ষেত্ৰত উভয় দেশৰ সম্পৰ্ক অধিক শক্তিশালী কৰি তোলাৰ লগতে ভাৰত প্ৰশান্ত মহাসাগৰীয় অঞ্চল সম্পৰ্কীয় বিভিন্ন বিষয় লৈ বাৰ্তালাপ কৰে।

বিদেশ মন্ত্ৰীগৰাকীয়ে ভ্ৰমণকালত দেশখনত ৰাষ্ট্ৰীয় সুৰক্ষা উপদেষ্টা আৰু তথ্য আৰু যোগাযোগ বিভাগৰ সচিবৰ সৈতেও সুকীয়া বৈঠকত মিলিত হয়।

০০০০০

কেন্দ্ৰীয় বাণিজ্য আৰু উদ্যোগ, গ্ৰাহক উপভোক্তা তথা খাদ্য আৰু ৰাজহুৱা বিতৰণ মন্ত্ৰী পীয়ুষ গোৱেলে কৈছে যে, ভাৰতবৰ্ষক বিকশিত ৰাষ্ট্ৰ হিচাপে গঢ়ি তোলাৰ ক্ষেত্ৰত ব্যৱসায়িক সম্প্ৰদায়ৰ এটা গুৰুত্বপূৰ্ণ ভূমিকা আছে। মুম্বাইত কালি ব্যৱসায়ীসকলৰ এখন সন্মিলনত ভাষণ দি মন্ত্ৰীগৰাকীয়ে এইদৰে প্ৰকাশ কৰে। শ্ৰীগোৱেলে কয় যে, প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী নেতৃত্বাধীন চৰকাৰখন পুনৰ ক্ষমতালৈ আহিলে ভাৰত বিশ্বৰ তৃতীয় সৰ্ববৃহৎ অৰ্থব্যৱস্থাত পৰিণত হ'ব। তেওঁ কয় যে, বিগত ১০ বছৰত বিশ্বৰ পাঁচটা দুৰ্বল অৰ্থব্যৱস্থাৰ অন্যতমৰূপে বিবেচিত ভাৰত বিশ্বৰ পঞ্চম সৰ্ববৃহৎ অৰ্থব্যৱস্থালৈ উন্নীত হৈছে। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ ভৱিষ্যদৰ্শী নেতৃত্বৰ বাবেই আমি জীৱনৰ সকলো দিশত ইতিবাচৰ পৰিৱৰ্তন আৰু বিকাশ প্ৰত্যক্ষ কৰিবলৈ সক্ষম হৈছো বুলি মন্ত্ৰীগৰাকীয়ে উল্লেখ কৰে। শ্ৰীগোৱেলে কয় যে, কেন্দ্ৰীয় চৰকাৰে গ্ৰহণ কৰা বিভিন্ন ব্যৱস্থাৰ বাবে সমাজৰ প্ৰত্যেক শ্ৰেণীয়ে নিৰাপদ অনুভৱ কৰিবলৈ লৈছে। প্ৰকৃত অৰ্থত প্ৰধানমন্ত্ৰী মোদীৰ নেতৃত্বত সকলোৰে বিকাশ সম্ভৱ হৈ উঠিছে বুলি মন্ত্ৰীগৰাকীয়ে প্ৰকাশ কৰে। ০০০০০০

০০০০০

সমাগত লোকসভা নিৰ্বাচনৰ পৰিপ্ৰেক্ষিতত ভোটদাতাসকলৰ মাজত সজাগতা সৃষ্টিৰ লগতে প্ৰথমবাৰৰ বাবে ভোটদান কৰিবলগীয়া যুৱ ভোটদাতাসকলক উৎসাহিত কৰাৰ বাবে আকাশবাণী গুৱাহাটী কেন্দ্ৰৰ আঞ্চলিক বাতৰি বিভাগে শ্ল'গান আৰু জিংগ্‌ল প্ৰতিযোগিতাৰ আয়োজন কৰিছে। ভোটদাতাৰ সজাগতা বিষয়ক এই প্ৰতিযোগিতাত প্ৰথমবাৰৰ বাবে ভোটৰ অধিকাৰ লাভ কৰা যুৱ ভোটদাতাসকলেহে অংশ ল'ব পাৰিব। শ্ল'গান বা জিংগ্‌লসমূহ ৪০ ছেকেণ্ডৰ ভিতৰত হোৱাকৈ অসমীয়া ভাষাত বাণীবদ্ধ কৰি ৩১ মাৰ্চৰ ভিতৰত 96196-86659 নাইবা 97166-80969 নম্বৰলৈ হোৱাট্‌ছএপযোগে প্ৰেৰণ কৰিব লাগিব। তদুপৰি প্ৰতিযোগীয়ে নিজৰ নাম, ঠিকনা, শিক্ষাগত অৰ্হতা আৰু শিক্ষানুষ্ঠানৰ নাম সন্নিবিষ্ট কৰি পঠিয়াব লাগিব।

০০০০০

কংগ্ৰেছে আসন্ন লোকসভা নিৰ্বাচনৰ বাবে সপ্তমখন প্ৰাৰ্থী তালিকা প্ৰকাশ কৰিছে। দলে চত্তিশগড়ৰ ছুৰগুজা আসনৰ পৰা শশী সিং, ৰায়গড় আসনৰ পৰা ড০ মেনকা দেৱী, বিলাসপুৰ আসনৰ পৰা দেবেন্দ্ৰ সিং যাদৱ আৰু কাংকেৰ সমষ্টিৰ পৰা বীৰেশ ঠাকুৰক প্ৰাৰ্থী হিচাপে প্ৰক্ষেপ কৰিছে। প্ৰাৰ্থী তালিকা অনুসৰি আৰ সুধা তামিলনাডুৰ ময়েলাধুধুৰাই সমষ্টিৰ পৰা নিৰ্বাচনী যুঁজত অৱতীৰ্ণ হ'ব।

০০০০০

উপ-ৰাষ্ট্ৰপতি জগদীপ ধনখৰে কাইলৈ এদিনীয়া কাৰ্যসূচীৰে চণ্ডীগড় ভ্ৰমণ কৰিব। ভ্ৰমণকালত শ্ৰীধনখৰ পঞ্জাৱ বিশ্ববিদ্যালয়ৰ ৭১সংখ্যক সমাৱৰ্তন সমাৰোহৰ মুখ্য অতিথি হিচাপে উপস্থিত থাকিব।

০০০০০

জ্যেষ্ঠ কূটনীতিবিদ অভয় ঠাকুৰক ম্যানমাৰত ভাৰতৰ পৰৱৰ্তী ৰাষ্ট্ৰদূত হিচাপে নিযুক্তি দিয়া হৈছে। ভাৰতীয় বিদেশ সেৱাৰ ১৯৯২ চনৰ বিষয়াগৰাকীয়ে শীঘ্ৰে এই দায়িত্ব গ্ৰহণ কৰাৰ সম্ভাৱনা আছে বুলি বৈদেশিক পৰিক্ৰমা মন্ত্ৰালয়ে প্ৰেছ বিজ্ঞপ্তিযোগে প্ৰকাশ কৰিছে।

বৰ্তমান বৈদেশিক পৰিক্ৰমা মন্ত্ৰালয়ৰ বিশেষ কৰ্তব্যৰত বিষয়া হিচাপে কৰ্মৰত শ্ৰীঠাকুৰে ভাৰতে জি-টুৱেণ্টি ৰাষ্ট্ৰগোষ্ঠীৰ অধ্যক্ষতা কৰাৰ সময়চোৱাত উপ-শ্বেৰপা হিচাপে কাৰ্যনিৰ্বাহ কৰিছিল।

০০০০০

বোম্বেই উচ্চ ন্যায়ালয়ৰ নাগপুৰ বিচাৰপীঠে মহাৰাষ্ট্ৰত অক'লা পশ্চিম বিধানসভা সমষ্টিত উপনিৰ্বাচন অনুষ্ঠিত কৰাৰ বাবে নিৰ্বাচন আয়োগে জাৰি কৰা অধিসূচনা বাতিল কৰিছে। ন্যায়াধীশ অনিল কিল্লৰ আৰু ন্যায়াধীশ এম এছ্ জাৱলকাৰক লৈ গঠিত এখন খণ্ড বিচাৰপীঠে কালি কয় যে, অক'লা পশ্চিম বিধানসভা আসনৰ বাবে উপনিৰ্বাচন অনুষ্ঠিত নহয়। বিচাৰপীঠখনে কয় যে, ১৬ মাৰ্চত নিৰ্বাচন আয়োগে জাৰি কৰা অধিসূচনাখন প্ৰভাৱশালী হৈ থাকিব নোৱাৰে কিয়নো এনে হ'লে নতুন সদস্যগৰাকীয়ে সমষ্টিটোক প্ৰতিনিধিত্ব কৰাৰ বাবে এবছৰৰো কম সময় লাভ কৰিব আৰু এয়া জনপ্ৰতিনিধিত্ব আইনৰ ১৫১ ক ধাৰাৰ উলংঘন হ'ব। ন্যায়ালয়ে অনিল শিৱকুমাৰ নামৰ এগৰাকী স্থানীয় বাসিন্দাৰ আৱেদনৰ শুনানি গ্ৰহণ কৰি এইদৰে ৰায় দিয়ে। অনিল শিৱকুমাৰে এই মাহৰ আৰম্ভণিতে জাৰি কৰা নিৰ্বাচন আয়োগৰ অধিসূচনাখন বাতিল কৰাৰ বাবে অনুৰোধ জনাইছিল। যোৱা বছৰ নৱেম্বৰত বিজেপি বিধায়ক গোবৰ্ধন শৰ্মাৰ মৃত্যুৰ পৰিপ্ৰেক্ষিতত অক'লা পশ্চিম বিধানসভা আসনখন খালী হৈছিল।

০০০০০

ৰামকৃষ্ণ মঠ আৰু ৰামকৃষ্ণ মিছনৰ অধ্যক্ষ শ্ৰীমৎ স্বামী স্মৰণানন্দজী মহাৰাজৰ যোৱানিশা ৮ বাজি ১৪ মিনিটত কলকাতাৰ ৰামকৃষ্ণ মিছন সেৱা প্ৰতিষ্ঠান চিকিৎসালয়ত মৃত্যু হয়। বাৰ্ধক্যজনিত ৰোগত আক্ৰান্ত হোৱা অধ্যক্ষগৰাকীক শেহতীয়াকৈ ভেণ্টিলেটৰৰ জৰিয়তে চিকিৎসা সেৱা প্ৰদান কৰি থকা হৈছিল। জনসাধাৰণক শেষ শ্ৰদ্ধা জনোৱাৰ সুযোগ দিয়াৰ বাবে আজি নিশা ৮ বজালৈ তেওঁৰ মৃতদেহ বেলুৰ মঠত ৰখা হ 'ব। ইয়াৰ পাছত বেলুৰ মঠতেই মহাৰাজৰ অন্ত্যেষ্টিক্ৰিয়া সম্পন্ন কৰা হ'ব।

স্বামী স্মৰণানন্দজী মহাৰাজ ৰামকৃষ্ণ মঠ আৰু ৰামকৃষ্ণ মিছনৰ ষোল্ল সংখ্যক অধ্যক্ষ আছিল। তেওঁ ২০১৭ চনৰ ১৭ জুলাইত এই দায়িত্ব গ্ৰহণ কৰিছিল। তেওঁৰ মৃত্যুত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডী আৰু পশ্চিম বংগৰ মুখ্যমন্ত্ৰী মমতা বেনাৰ্জীয়ে শোক প্ৰকাশ কৰিছে।

০০০০০

যোৱাবাৰৰ চেম্পিয়ন চেন্নাই ছুপাৰ কিংছে যোৱা নিশা চেন্নাইৰ এম এ চিদাম্বৰম ষ্টেডিয়ামত অনুষ্ঠিত আই পি এল ক্ৰিকেট প্ৰতিযোগিতাৰ এখন খেলত গুজৰাট টাইটানছক ৬৩ ৰানত পৰাস্ত কৰে। টাইটানছে ২০৭ ৰানৰ বিজয় লক্ষ্যৰে খেল আৰম্ভ কৰি নিৰ্ধাৰিত ২০ অভাৰত ৮টা উইকেট হেৰুৱাই ১৪৩ ৰানহে কৰিবলৈ সমৰ্থ হয়। গুজৰাটৰ হৈ ছাই সুদৰ্শনে সৰ্বাধিক ৩৭ ৰান কৰে। ইয়াৰ পূৰ্বে চেন্নাই ছুপাৰ কিংছে প্ৰথমে বেট ধৰাৰ আমন্ত্ৰণ লাভ কৰি ২০ অভাৰত ৬ উইকেটৰ বিনিময়ত ২০৬ ৰান সংগ্ৰহ কৰে। চেন্নাইৰ হৈ শিৱম ডুবেই ২৩টা বলত ৫১ ৰানৰ বৰঙনি আগবঢ়োৱাৰ বিপৰীতে অধিনায়ক ঋতুৰাজ গাইকোৱাড আৰু ৰচিন ৰবীন্দ্ৰই ৪৬ ৰানকৈ কৰে। শিৱম ডুবেক প্লেয়াৰ অৱ দ্যা মেচ হিচাপে ঘোষণা কৰা হয়।

প্ৰতিযোগিতাত আজি হায়দৰাবাদৰ ৰাজীৱ গান্ধী আন্তঃৰাষ্ট্ৰীয় ষ্টেডিয়ামত হ'বলগীয়া এখন খেলত মুম্বাই ইণ্ডিয়ানছ ছানৰাইজাৰ্ছ হায়দৰাবাদৰ সন্মুখীন হ'ব। খেলখন সন্ধিয়া চাৰে ৭ বজাত আৰম্ভ হ'ব। দুয়োটা দল প্ৰতিযোগিতাত নিজৰ প্ৰথম জয়ৰ লক্ষ্যৰে খেলখনত অৱতীৰ্ণ হ'ব।

০০০০০

সমাপ্ত